# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-03-2026
**Time :** 1100 Hrs.

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰস্তুতি চলাইছে। নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱা নাই যদিও দলসমূহে জনসধাৰণৰ মাজলৈ গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, কেইবাটাও দলে নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকাও ঘোষণা কৰিছে। এ আই ইউ ডি এফ দলে কালি ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। শাসনাধিষ্ঠিত বিজেপিয়ে ১৭ মাৰ্চৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল।

অসম গণ পৰিষদ দলে দুই এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই কালি আমবাৰীত অনুষ্ঠিত প্ৰাৰ্থিত্ব কেন্দ্ৰীক বৈঠকৰ পাছত প্ৰকাশ কৰে। মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন আজি বিয়লি ৫ বজাত মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ দীৰ্ঘতম উৰণ সেতুখন মুকলি উপলক্ষে আয়োজন কৰা কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই কাৰ্যসূচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে নিৰ্ধাৰিত ৩৬ মাহৰ বিপৰীতে ২৮ মাহতে এই উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত আজি ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কিছু সময় পাছতে ধন বিতৰণৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগো উপস্থিত থাকিব। আনহাতে ৰাজ্যৰ তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব।

০০০০০০০

বিশ্বনাথ জিলাৰ চতিয়াৰ তিনিটা অঞ্চলত অবৈধ দখলমুক্ত কৰাৰ বাবে কালি প্ৰশাসনে পুনৰ উচ্ছেদ অভিযান চলায়। প্ৰশাসনে চলাহোলাত জলসিঞ্চন বিভাগৰ ভূমি দখল কৰি থকা কমেও ১৫টা পৰিয়ালক সেই স্থানৰ পৰা উচ্ছেদ কৰে। কালি পুৱা ৮ বজাত আৰম্ভ হোৱা এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। প্ৰশাসনে ভি জি আৰ

ভূমিতো উচ্ছেদ চলায়। এই অভিযানত ৭৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি থকা ৬৫টা পৰিয়ালক উচ্ছেদ কৰা হয়। কালি উচ্ছেদ অভিযান শান্তিভাৱে সম্পন্ন কৰিবলৈ চি আৰ পি এফৰ জোৱান মোতায়ন কৰা হয়।

*-বাইট-*

০০০০০০০

বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেঁপেচিয়াত নিৰ্মাণ কৰা বিজ্ঞান নগৰী গুৱাহাটী চৌহদ আজি মুকলি কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তয়ো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, বিজ্ঞান নগৰীত ডিজিটেল এডভেঞ্চাৰ, ভাৰ্চুৱেল ৰিয়েলিটি, ধেমালিৰ মাজেৰে বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান বীথিকা, গোলকৰ জ্ঞান আৰু অ'গ্নি থিয়েটাৰ আদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে ৰাজ্য চৰকাৰে কামৰূপ, বঙাইগাঁও, মাজুলী, কাছাৰ আৰু নগাঁৱত নিৰ্মাণ কৰা জিলা বিজ্ঞান কেন্দ্ৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। বিজ্ঞান নগৰী গুৱাহাটী চৌহদত আজি আয়োজিত অনুষ্ঠানতে জিলা বিজ্ঞান কেন্দ্ৰ উদ্বোধন কৰা হ'ব।

০০০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী বিৰেন সিং ইংতিৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ডিফু লোকসভা সমষ্টিৰ পৰা সাতবাৰ সাংসদ নিৰ্বাচিত হোৱা জ্যেষ্ঠ নেতাগৰাকী বিগত কিছুদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ।

০০০০০০০

চিৰাং জিলাত আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই পাটিলাদহাৰ পৰা পাণবাৰী অভিমুখী পথত এখন বাহনৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। পাণবাৰী আৰক্ষীয়ে চলোৱা এই অভিযানত এজন লোকক আটক কৰা হয়। ১০ টা চাবোনৰ বাকচত আৰক্ষীয়ে ১১০ গ্ৰামৰো অধিক হেৰ'ইন জব্দ কৰে।

০০০০০০০

**সমাপ্ত**